তেওঁৰ বিখ্যাত উপন্যাসবোৰৰ মাজত 'মিৰি জীয়ৰী' নিঃসন্দেহে সৰ্বাধিক জনপ্ৰিয় আৰু ই তেওঁৰ প্ৰথম অনৈতিহাসিক উপন্যাস। এইখন উপন্যাসত বৰদলৈদেৱে অসমী আইৰ অজলা সন্তান মিৰিসকলৰ সমাজ আৰু জীৱন চৰিত্ৰ এটি কৰুণ আখ্যানৰ মাজেদি ৰূপায়িত কৰিবলৈ সচেষ্ট। তেওঁ জনজাতীয় মিৰি লোকসকলৰ থাই বাসস্থান সুবৰ্ণশিৰি অঞ্চলত ভালেমান বছৰ চৰকাৰী চাকৰিৰ কামত থাকোঁতে তেওঁ বিশেষ যত্নসহকাৰে মিৰি জীৱনৰ সমস্যাবোৰ অধ্যয়ন কৰিছিল আৰু সেয়েহে সহজ ভাষাত সেই সৰল জীৱনৰ সমস্যাবোৰক সুন্দৰকৈ ৰূপ দিব পাৰিছে। সামাজিক উপন্যাস হিচাপে 'মিৰি জীয়ৰী' নিঃসন্দেহে অসমীয়া সাহিত্যৰ অমূল্য সম্পদ।

সাহিত্য জগতত আত্মপ্ৰতিষ্ঠা লাভ কৰিবলৈ বৰদলৈদেৱে যথেষ্ট কষ্ট আৰু পৰিশ্ৰম কৰিব লগীয়া হৈছিল। কিন্তু সেই কষ্ট আৰু পৰিশ্ৰমে তেওঁক দিছিল এক বিচিত্ৰ অভিজ্ঞতাৰ সোৱাদ। তেওঁৰ উপন্যাস আৰু অন্যান্য ৰচনা সৃষ্টিত ইয়ে সহায় কৰিছিল। এই অভিজ্ঞতাসমূহ তেওঁক মানসিক দৃঢ়তাৰে সমৃদ্ধ কৰাৰ উপৰিও তেওঁৰ চৰিত্ৰত এক অপূৰ্ব আৰু অনিন্দ্যসুন্দৰ সহনশীলতাৰ জন্ম দিছিল। বৰদলৈদেৱ আছিল এজন ধৰ্মভীৰু সত্যনিষ্ঠ ব্যক্তি আৰু সেয়েহে তেওঁ এক কঠিন নৈতিক জীৱন যাপন কৰিছিল, তথাপি কোনো ধৰণৰ গোঁড়ামিয়ে তেওঁৰ মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। কলিকতাত থাকোঁতে তেওঁ ব্ৰাহ্ম সমাজৰ সভা-সমিতি, আলোচনা সভা, প্ৰাৰ্থনানুষ্ঠান আদিৰ প্ৰতি আকৃষ্ট হৈছিল আৰু তাতে নিজকে একান্তভাৱে নিয়োজিতও কৰিছিল। উদ্দেশ্য আছিল, জ্ঞানী শ্ৰদ্ধাভাজন ব্যক্তিসকলৰ পৰা ধৰ্মবিষয়ক তত্ত্বপূৰ্ণ বিভিন্ন বিষয় সম্বন্ধে জ্ঞানাৰ্জন কৰা। এই প্ৰচেষ্টাই তেওঁক এজন প্ৰকৃত ধৰ্মভাৱাপন্ন উদাৰমনা ব্যক্তিত পৰিণত কৰিছিল আৰু সেয়েহে সৰ্বপ্ৰকাৰৰ সংকীৰ্ণতা আৰু অন্ধবিশ্বাসৰ পৰা তেওঁ সম্পূৰ্ণ মুক্ত হ'ব পাৰিছিল। নিজৰ ঘৰত তেওঁ বিগ্ৰহ প্ৰতিমা আদি প্ৰতিষ্ঠা কৰা নাছিল, কিন্তু সেই বুলি পৰিয়ালৰ কোনোবাই সেই নীতি অনুসৰণ কৰিলে তেওঁ কেতিয়াও বাধা দান কৰা নাছিল। বৰদলৈদেৱৰ মানসিক উদাৰতাৰ এয়া হ'ল অন্যতম নিদৰ্শন।

আচলতে বৰদলৈদেৱৰ মুখ্য উদ্দেশ্য আছিল সেই যুগৰ অসমীয়া



মানুহক এটা সুস্থ সুন্দৰ জীৱনৰ প্ৰতি আকৃষ্ট কৰা। অসমীয়া সমাজত শাক্ত, বৈষ্ণৱ, তান্ত্ৰিক আদি বিভিন্ন ধৰ্মমত প্ৰচলিত। তেওঁৰ উপন্যাসত অতীত কাহিনী, কিংবদন্তী আৰু সামাজিক ঘটনাৰ মাজত প্ৰায়েই ধৰ্মতত্ত্বৰ আৰু ধৰ্মমতৰ অৱতাৰণা কৰা হৈছে আৰু বিভিন্ন ধৰ্মমতৰ প্ৰতি উদাৰতা আৰু সহনশীলতা প্ৰকাশিত হৈছে। কিন্তু শঙ্কৰ-মাধৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰতি তেওঁৰ অধিক শ্ৰদ্ধা আৰু ভক্তিৰ নিদৰ্শন সুস্পষ্ট। সেই কাৰণে তেওঁ বৈষ্ণৱ সত্ৰ, নামঘৰ, ভাওনা আদিৰ বৰ্ণনাত বেছি আগ্ৰহশীল যেন অনুভৱ হয়। আনফালে অতিপ্ৰাকৃত চৰিত্ৰ আৰু কাৰ্যাৱলীকো তেওঁ উপন্যাসবোৰত স্থান দিছিল তাক ৰসাল কৰি তুলিবৰ উদ্দেশ্যে। অতিপ্ৰাকৃতক উপস্থাপিত কৰাৰ আন এক কাৰণ আছিল— যি সময়ত তেওঁ উপন্যাসৰাজি ৰচনা কৰিছিল, সেই সময়ৰ পাঠকসমাজ আজিৰ যুগৰ পাঠকতকৈ অধিক ধৰ্মপৰায়ণ আৰু ধৰ্মবিশ্বাসী আছিল আৰু সেয়েহে তেনে পাঠকৰ মন আকৃষ্ট কৰিবলৈ তেওঁ ধৰ্মীয় অতিপ্ৰাকৃতৰ অৱতাৰণা কৰিছিল। মানুহৰ মঙ্গল আৰু কল্যাণৰ বাবেই লিখকে এই অতিপ্ৰাকৃতৰ ব্যৱহাৰ কৰিছিল, কিয়নো ইয়েই আছিল তেওঁৰ জীৱনৰ একমাত্ৰ লক্ষ্য আৰু উদ্দেশ্য।

### (২) ৰজনীকান্ত বৰদলৈৰ ঐতিহাসিক উপন্যাসৰ বৈশিষ্ট্য

ঐতিহাসিক উপন্যাস ৰচনাৰ ক্ষেত্ৰত বৰদলৈদেৱে স্কট আৰু বঙ্কিমচন্দ্ৰৰ দ্বাৰা প্ৰভাৱিত হৈছিল নিঃসন্দেহে, কিন্তু তেওঁৰ মুখ্য উদ্দেশ্য আছিল নিজৰ মাতৃভূমিৰ সমৃদ্ধি। সেয়ে দেশপ্ৰেম আৰু জাতীয়তাবোধ উদ্বুদ্ধ কৰি অসমীয়া মানুহৰ মাজত সমাজখনক উন্নত আৰু সমৃদ্ধ কৰা আৰু লগতে চিৰন্তন মানৱধৰ্ম আৰু মানৱিক অনুভূতি, আবেগ আদিৰ প্ৰসাৰেৰে ঐতিহাসিক কাহিনীবোৰক প্ৰাণৱন্ত কৰা। 'মনোমতী', 'ৰঙ্গিলী' আৰু 'নিৰ্মল ভকত'ত চৰিত্ৰবিলাকৰ জীৱন আৰু কৰ্মপ্ৰবাহ ঐতিহাসিক ঘটনাৰে নিয়ন্ত্ৰিত কৰা হৈছে যদিও, কেন্দ্ৰীয় ঘটনাবোৰ কিন্তু ঐতিহাসিক নহয়। মুখ্য চৰিত্ৰবোৰৰ প্ৰেম প্ৰণয়ৰ ঘটনাকেই অধিক গুৰুত্ব দিয়া হৈছে। নায়ক-নায়িকাবোৰৰ আশা-আকাংক্ষা, সুখ-দুখ, নিৰাশা-বেদনাক ঐতিহাসিক পটভূমিত স্থাপন কৰি ইয়াৰ সাৰ্বজনীন ৰূপ প্ৰকাশ কৰাটোৱেই আছিল লিখকৰ মুখ্য উদ্দেশ্য। অৱশ্যে সকলো ক্ষেত্ৰত তেওঁ এই পন্থা অৱলম্বন কৰা নাই। উদাহৰণস্বৰূপে 'দন্দুৱা